# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-06-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## **HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অংশহিচাপে আজি নতুন দিল্লীৰ ভগৱান মহাবীৰ বনস্থলী উদ্যানত এটা বিশেষ গছ পুলি ৰোপণ অভিযানৰ নেতৃত্ব দিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ এখন বৈঠকত অধ্যক্ষতা কৰে।

৩। ভাৰতৰ আৰু দুটা জলাশয়ক ৰামচৰ স্থলৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে।

৪। চিকিমৰ মাংগন জিলাৰ ভূমিস্খলন প্ৰভাৱিত লাচেন অঞ্চলত পথ যোগাযোগ পুনৰ আৰম্ভ কৰাৰ বাবে সকলো প্ৰচেষ্টা চলাই থকা হৈছে।

*আৰু*

৫। চীনৰ হাংজৌত হ'বলগীয়া মহিলাৰ এছিয়া কাপত অহা ৫ ছেপ্তেম্বৰত ভাৰতীয় হকী দল থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে **এক পেড় মা কে নাম** কাৰ্যসূচীৰ অংশহিচাপে আজি নতুন দিল্লীৰ ভগৱান মহাবীৰ বনস্থলী উদ্যানত এটা বিশেষ গছ পুলি ৰোপণ অভিযানৰ নেতৃত্ব দিব। এই অভিযানে আৰাৱলী খণ্ডৰ ৭০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলেকাত বনানীকৰণৰ লক্ষ্যৰে আৰম্ভ কৰা আৰাৱলী সেউজ দেৱাল প্ৰকল্প শীৰ্ষক অভিলাষী কাৰ্যসূচীৰ দিশত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। শ্ৰীমোদীয়ে পৰিৱেশ সংৰক্ষণ আৰু বনানীকৰণৰ প্ৰচেষ্টাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক চিহ্নিত কৰাকৈ এজোপা বৰগছৰ পুলি ৰোপণ কৰিব। উল্লেখযোগ্য যে, আৰাৱলী সেউজ দেৱাল প্ৰকল্পৰ অধীনত দিল্লী, ৰাজস্থান, হাৰিয়ানা আৰু গুজৰাটৰ ২৯ খন জিলা সামৰি থকা আৰাৱলী পৰ্বতৰ প্ৰায় ৫ কিলোমিটাৰ এলেকাত বনানীকৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ জৰিয়তে সেউজ অঞ্চল বৃদ্ধি কৰা, জৈৱ বৈচিত্ৰ্য পুনৰ উদ্ধাৰ, ভূমিৰ উৰ্বৰতা বৃদ্ধি, জলাশয় সংৰক্ষণ আৰু এই সমগ্ৰ খণ্ডত জলবায়ু স্থিতিস্থাপকতা বৃদ্ধি কৰা লক্ষ্য নিৰ্ধাৰণ কৰা হ'ব। পৰিৱেশগত লাভালাভৰ উপৰি এই প্ৰকল্পই নিয়োগ সৃষ্টিৰ লগতে বনানীকৰণ আৰু পুনৰুদ্ধাৰ কাৰ্যৰ জৰিয়তে অঞ্চলসমূহৰ সম্প্ৰদায়সমূহৰ জীৱন ধাৰণৰ ক্ষেত্ৰত বিভিন্ন সুযোগ সৃষ্টি কৰিব। আজিৰ কাৰ্যসূচীতে প্ৰধানমন্ত্ৰী মোদীয়ে বহনক্ষম নগৰ পৰিবহণৰ প্ৰচাৰৰ অংশহিচাপে দিল্লী চৰকাৰৰ স্বচ্ছ পৰিবহণ পদক্ষেপৰ অধীনত ২০০ খন ইলেকট্ৰিক বাছ মুকলি কৰিব। ৰাষ্ট্ৰীয় ৰাজধানীখনত বায়ু প্ৰদূষণ হ্ৰাস তথা সেউজ পৰিবহণ ব্যৱস্থা বৃদ্ধি কৰাৰ লক্ষ্যৰে এই ইলেকট্ৰিক বাছসমূহ মুকলি কৰা হ'ব।

০০০০০

আজি বিশ্ব পৰিৱেশ দিৱশ। পৃথিৱী আৰু প্ৰকৃতিৰ সুৰক্ষাৰ হকে ইতিবাচক পাৰিৱেশিক কাৰ্যসূচী গ্ৰহণৰ ক্ষেত্ৰত গোলকীয় সজাগতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতি বছৰে এই দিৱস পালন কৰা হয়। ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ অংশহিচাপে ১৯৭৩ চনৰ পৰা প্ৰতি বছৰৰ ৫ জুনত এই দিৱস পালন কৰি অহা হৈছে। এই বছৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে-- প্লাষ্টিক প্ৰদূষণ ৰোধ কৰা।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ এখন বৈঠকত অধ্যক্ষতা কৰে। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত অপাৰেছন সিন্দূৰৰ অধীনত পাকিস্তানৰ বিৰুদ্ধে দেশৰ উচিত প্ৰত্যুত্তৰৰ পাছত এইখন হৈছে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ প্ৰথমখন বৈঠক। বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰী, ৰাসায়নিক আৰু সাৰ দপ্তৰৰ মন্ত্ৰী জে পি নাড্ডা, ভাৰতৰ খাদ্য সংসাধন উদ্যোগ মন্ত্ৰী চিৰাগ পাছোৱান, জলশক্তি মন্ত্ৰী চি আৰ পাটিলকে ধৰি অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীসকল উপস্থিত থাকে।

ooooo

সেৱা, সুশাসন আৰু গৰীব কল্যানৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ বিগত এটা দশকত দেশৰ আমূল পৰিৱৰ্তন সাধন হৈছে। আকাশবাণী বাতৰি সেৱা বিভাগে চৰকাৰে বিভিন্ন খণ্ডত যোৱা এঘাৰটা বছৰত চলোৱা প্ৰচেষ্টা সন্দৰ্ভত বিশেষ প্ৰতিবেদন প্ৰচাৰ কৰিবলৈ লৈছে। দেশৰ ভৱিষ্যত প্ৰজন্মৰ সৱলীকৰণৰ জৰিয়তে দক্ষতা বিকাশ আৰু কৰ্ম সংস্থাপনৰ সুযোগ সন্দৰ্ভত এয়া আমাৰ এক প্ৰতিবেদন।

*-ভইচ-*

ooooo

ভাৰতীয় ৰে'লৱেই তৎকাল টিকট বুক কৰাৰ বাবে অতি সোনকালে ই-আধাৰ প্ৰমাণীকৰণ ব্যৱস্থা আৰম্ভ কৰিব। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে এই ব্যৱস্থাই প্ৰকৃত ৰে'লসেৱা ব্যৱহাৰকাৰীসকলক প্ৰয়োজনীয় সময়ত টিকট নিশ্চিত কৰাত সহায় কৰিব।

ooooo

ভাৰতৰ আৰু দুটা জলাশয়ক ৰামচৰ স্থলৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ফলত দেশত এনে স্থলৰ সংখ্যা ৯১ লৈ বৃদ্ধি পালে। শেহতীয়াকৈ এই তালিকাত সংযোজিত হোৱা স্থান কেইটা হৈছে- ৰাজস্থানৰ ফালুড়ীৰ খিচন আৰু উদয়পুৰৰ মিনাৰ। কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে এই সন্দৰ্ভত কয়, যে এই সাফল্যই পৰিৱেশ সংৰক্ষণৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গুৰুত্বই ভাৰতক সেউজ ভৱিষ্যত গঢ়ি তোলাত সহায় কৰাতো পুনৰবাৰ প্ৰতিয়মান কৰিলে।

শ্ৰীযাদৱৰ সামাজিক মাধ্যমৰ এই বাৰ্তাৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে পৰিৱেশ সংৰক্ষণৰ দিশত জনসাধাৰণৰ বহুল অংশগ্ৰহণৰ জৰিয়তে ভাৰতে বিশেষভাৱে কাম কৰি আছে। এই ক্ষেত্ৰত তেওঁ দেশৰ প্ৰগতিৰ প্ৰশংসা কৰে।

ooooo

চিকিমৰ মাংগন জিলাৰ ভূমিস্খলন প্ৰভাৱিত লাচেন অঞ্চলত পথ যোগাযোগ পুনৰ আৰম্ভ কৰাৰ বাবে সকলো প্ৰচেষ্টা চলাই থকা হৈছে। মাংগনৰ আৰক্ষী অধীক্ষকে জনোৱা মতে, অঞ্চলটোত আবদ্ধ হৈ থকা পৰ্যটকসকলক উদ্ধাৰ কৰাৰ বাবে কেইবাটাও সংস্থাই একেলগে কাম কৰি আছে। তেওঁ কয়, যে প্ৰবল বৰষুণৰ ফলত লাচেনলৈ যোৱা সকলোবোৰ পথ বন্ধ হৈ আছে আৰু এই পথসমূহেৰে পুনৰ যান-বাহন চলাচলৰ বাবে আৰু দুই বা তিনি সপ্তাহ লাগিব পাৰে। উল্লেখযোগ্য যে, প্ৰবল বৰষুণৰ ফলত লাচেনলৈ যোৱা পথৰ বিভিন্ন অংশত ভূমিস্খলন হৈছে। আকাশবাণী গেংটকৰ সংবাদদাতাই প্ৰকাশ কৰা মতে, লাচেনত আবদ্ধ হৈ থকা প্ৰায় ১১০ জন পৰ্যটকক ইতিমধ্যে চাটেনলৈ অনা হৈছে। আজি তেওঁলোকক পাকয়ঙলৈ বায়ুসেনাৰ বিমানেৰে লৈ যোৱাৰ সম্ভাৱনা আছে। আজি পুৱা বায়ুসেনাৰ দুখন বিমান সাজু কৰি ৰখা হৈছে। অৱশ্যে প্ৰতিকূল বতৰৰ বাবে আজি লাচেনৰ পৰা বিমানেৰে পৰ্যটকসকলক উদ্ধাৰ কৰিব পৰা নাযাব। সেনা বাহিনী, এন ডি আৰ এফ, আই টি বি পি, সীমান্ত পথ সংস্থা, এছ ডি আৰ এফ আৰু আৰক্ষীয়ে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। পৰ্যটকসকলৰ বাবে ঔষধ আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী লৈ ৰাজ্যিক দুযোগ সঁহাৰি দল আজি চুঙথাঙত উপস্থিত হোৱাৰ সম্ভাৱনা আছে। চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে কালি গেংটকত পৰিস্থিতিৰ পৰ্যালোচনাৰ বাবে এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে আৰু এই প্ৰত্যাহ্বান পাৰ কৰিবৰ বাবে সকলো সহায়-সহযোগৰ আশ্বাস দিয়ে।

০০০০০

সংসদৰ বৰ্ষাকালীন অধিবেশন ২১ জুলাইত আৰম্ভ হ'ব আৰু ১২ আগষ্টত এই অধিবেশনৰ সামৰণি পৰিব। নতুন দিল্লীত কালি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে এইকথা প্ৰকাশ কৰে। পেহেলগামৰ বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণত ২৫ গৰাকী ভাৰতীয় এগৰাকী নেপালী নাগৰিকৰ মৃত্যুৰ প্ৰত্যাক্ৰমন স্বৰূপে আৰম্ভ কৰা অপাৰেছন সিন্দূৰৰ পাছত এয়া সংসদৰ প্ৰথমখন অধিবেশন হ'ব। অপাৰেছন সিন্দূৰৰ জৰিয়তে সশস্ত্ৰ বাহিনীসমূহ পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰত থকা সন্ত্ৰাসবাদী ঘাটিসমূহক লক্ষ্য কৰি আক্ৰমণ চলাইছিল আৰু এই আক্ৰমণত এশৰো অধিক সন্ত্ৰাসবাদী নিহত হৈছিল। ইয়াৰ পূৰ্বে বিৰোধী পক্ষৰ দলসমূহে অপাৰেছন সিন্দূৰ সম্পৰ্কে আলোচনা কৰাৰ বাবে সংসদৰ বিশেষ অধিবেশন আহ্বান কৰিবলৈ দাবী জনাইছে।

০০০০০

চীনৰ হাংজৌত হ'বলগীয়া মহিলাৰ এছিয়া কাপত অহা ৫ ছেপ্তেম্বৰত ভাৰতীয় হকী দল থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত জাপান, থাইলেণ্ড আৰু ছিংগাপুৰৰ সৈতে ভাৰত পুল-বিত আছে। যোৱাবাৰৰ প্ৰতিযোগিতা ব্ৰঞ্জৰ পদক জয় কৰা ভাৰতে এইবাৰ খিতাপ জয়ৰ যুঁজত অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, এই প্ৰতিযোগিতা জয়লাভ কৰিলে কেৱল এছিয়া কাপৰ ট্ৰফী লাভ কৰাই নহয় বৰং অহা বছৰ হ'বলগীয়া মহিলাৰ এফ আই এইচ হকী বিশ্বকাপত পোনপটীয়াকৈ স্থান নিশ্চিত কৰিব। ২০১৭ চনত ভাৰতে চীনক হৰুৱাই এছিয়া কাপ জয়ী কৰিছিল।

০০০০০

**সমাপ্ত**